# অসম বিধান সভা

**মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা**

**মঙ্গলবাৰ, ৪ মাৰ্চ, ২০২৫**

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয়ঃ* **ঋণ।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

* ৬১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা বিগত চাৰিটা বিত্তীয় বৰ্ষত গ্ৰহণ কৰা ঋণ আৰু তাৰ বিপৰীতে সেই ঋণৰ ধন সমূহ কি কি আঁচনিৰ বিপৰীতে খৰছ কৰিছে বা কৰি আছে তাৰ বিতং তথ্য জনাব।

(খ) ৰাজ্যত বৰ্তমান চলি থকা ঋণ সমূহৰ এটি তালিকা, এই ঋণৰ পৰিমাণৰ বিপৰীতে ঋণ লোৱা তাৰিখ, এতিয়ালৈকে পৰিশোধ কৰা কিস্তি সমূহ, ভৱিষ্যত কেতিয়ালৈ কি পৰিমাণৰ কিস্তি দিবলগীয়া আছে তাৰ তথ্য জনাব।

(গ) ঋণৰ ধনেৰে গ্ৰহণ কৰা আঁচনি সমূহৰ ধন কোন কোন বিধানসভা সমষ্টিত খৰছ কৰা হ'ল তাৰ তথ্য জনাব।

(ঘ) কেন্দ্ৰীয় চৰকাৰে বিগত পাঁচটা বিত্তীয় বৰ্ষত গ্ৰাণ্ট, এইড বা অন্য কোনো শিতানত কি পৰিমাণৰ পুঁজি ৰাজ্য চৰকাৰলৈ দিছে?

(ঙ) বিগত ৫টা বিত্তীয় বৰ্ষত অসম চৰকাৰে বিভাগ অনুযায়ী সংগ্ৰহ কৰা কৰ আৰু অনাকৰ ৰাজহৰ তালিকা দিব।

(চ) বিগত তিনিটা বিত্তীয় বৰ্ষত বিভিন্ন বিভাগে দৰমহা, পেঞ্চন, ভাট্টা আদি জাতীয় Revenue Expenditure শিতানত কি পৰিমাণৰ ধন মোকোলাই নিছে?

*বিষয়ঃ* **দক্ষিণ মানকাচৰ জিলাৰ হাটশিঙিমাৰী আৰু মানকাচৰক নগৰ বা চহৰ ঘোষণাৰ সম্পৰ্কে।**

মোঃ আমিনুল ইছলাম (কনিষ্ঠ) ঃ

* ৬২। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানখন চহৰ আৰু নগৰ আছে আৰু নগৰ আৰু চহৰ অঞ্চলৰ উন্নয়নৰ কাৰণে কি কি শিতানত বিগত চাৰিটা বিত্তীয় বৰ্ষত কিমান ধন আৱণ্টন কৰা হৈছে?

# অসম বিধান সভা

**মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা**

**মঙ্গলবাৰ, ৪ মাৰ্চ, ২০২৫**

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয়ঃ* **ঋণ।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

* ৬১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা বিগত চাৰিটা বিত্তীয় বৰ্ষত গ্ৰহণ কৰা ঋণ আৰু তাৰ বিপৰীতে সেই ঋণৰ ধন সমূহ কি কি আঁচনিৰ বিপৰীতে খৰছ কৰিছে বা কৰি আছে তাৰ বিতং তথ্য জনাব।

(খ) ৰাজ্যত বৰ্তমান চলি থকা ঋণ সমূহৰ এটি তালিকা, এই ঋণৰ পৰিমাণৰ বিপৰীতে ঋণ লোৱা তাৰিখ, এতিয়ালৈকে পৰিশোধ কৰা কিস্তি সমূহ, ভৱিষ্যত কেতিয়ালৈ কি পৰিমাণৰ কিস্তি দিবলগীয়া আছে তাৰ তথ্য জনাব।

(গ) ঋণৰ ধনেৰে গ্ৰহণ কৰা আঁচনি সমূহৰ ধন কোন কোন বিধানসভা সমষ্টিত খৰছ কৰা হ'ল তাৰ তথ্য জনাব।

(ঘ) কেন্দ্ৰীয় চৰকাৰে বিগত পাঁচটা বিত্তীয় বৰ্ষত গ্ৰাণ্ট, এইড বা অন্য কোনো শিতানত কি পৰিমাণৰ পুঁজি ৰাজ্য চৰকাৰলৈ দিছে?

(ঙ) বিগত ৫টা বিত্তীয় বৰ্ষত অসম চৰকাৰে বিভাগ অনুযায়ী সংগ্ৰহ কৰা কৰ আৰু অনাকৰ ৰাজহৰ তালিকা দিব।

(চ) বিগত তিনিটা বিত্তীয় বৰ্ষত বিভিন্ন বিভাগে দৰমহা, পেঞ্চন, ভাট্টা আদি জাতীয় Revenue Expenditure শিতানত কি পৰিমাণৰ ধন মোকোলাই নিছে?

*বিষয়ঃ* **দক্ষিণ মানকাচৰ জিলাৰ হাটশিঙিমাৰী আৰু মানকাচৰক নগৰ বা চহৰ ঘোষণাৰ সম্পৰ্কে।**

মোঃ আমিনুল ইছলাম (কনিষ্ঠ) ঃ

* ৬২। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানখন চহৰ আৰু নগৰ আছে আৰু নগৰ আৰু চহৰ অঞ্চলৰ উন্নয়নৰ কাৰণে কি কি শিতানত বিগত চাৰিটা বিত্তীয় বৰ্ষত কিমান ধন আৱণ্টন কৰা হৈছে?

তাৰে কিমান শতাংশ ধন খৰচ হৈছে, জিলা আৰু চহৰ ভিত্তিত পৃথক পৃথককৈ জনাব।

(খ) দক্ষিণ শালমাৰা মানকাচৰ জিলাত কিমানখন নগৰ বা চহৰ আছে? যদি নাই, কিয় নাই?

(গ) দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ কাৰ্য্যালয় হাট শিঙিমাৰী কোনখন গাঁও পঞ্চায়ত আৰু কোনখন খণ্ড উন্নয়নৰ অন্তৰ্গত?

(ঘ) দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অন্তৰ্গত মানকাচৰখন ১৯৭১ চনৰ পৰা Census Town হিচাপে নথিভুক্ত, কিহৰ কাৰণে বিগত ৫৪ বছৰ ধৰি এই অঞ্চলটো চহৰ বা নগৰ হিচাপে ঘোষণা কৰা হোৱা নাই, কাৰণ সমূহ বিতংকৈ জনাব।

*বিষয় ঃ* **জলজীৱন মিছন।**

মোঃ নুৰুল হুদা ঃ

* ৬৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান জলজীৱন মিচনৰ জৰিয়তে পানী যোগান আঁচনি গ্ৰহণ কৰা হৈছে? ইয়াৰে কিমান আঁচনি সম্পূৰ্ণ আৰু কিমান আঁচনি অসম্পূৰ্ণ হৈ আছে?

(খ) অসম্পূৰ্ণ আঁচনি সমূহৰ কাম বন্ধ ৰখাৰ বাবে চৰকাৰী ভাবে কিবা নিৰ্দেশ দিয়া হৈছে নেকি? যদি হৈছে, কিয়? আৰু কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব বিতং তথ্য সহ জনাব।

(গ) জল মিত্ৰ সকলক স্থায়ী ভাৱে নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে ল'ব নে? স্থায়ী নিযুক্তি নিদিয়াৰ বাবে পানী যোগানত কিবা ব্যাঘাত জন্মিছে নেকি? বিতং জনাব।

(ঘ) আঁচনি নিৰ্মাণৰ ঠিকাদাৰ সকলৰ প্ৰাপ্য ধন নিয়মিত ভাৱে দিয়া হৈ আছে নে? যদি হোৱা নাই, তেন্তে কিয় আৰু কিমান দিনৰ ভিতৰত আদায় দিয়া হ'ব?

*বিষয় ঃ* **ডিগবৈত এটি মাল্টি পাৰ্পজ পাৰ্কিং স্থলীৰ সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

* ৬৪। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্ৰিটিছৰ দিনতে প্ৰতিষ্ঠিত এছিয়াৰ প্ৰথম তেল শোধনাগাৰ ডিগবৈ চহৰখন বৰ্তমান এক অতি ব্যস্ত চহৰত পৰিণত হৈছে। চহৰখনত দিনক দিনে যান বাহনৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত যানজঁতৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত এটি শৃংখলিত মাল্টি পাৰ্পজ পাৰ্কিং স্থলৰ অতি প্ৰয়োজন হৈছে। এই সন্দৰ্ভত বিভাগীয়ভাবে কিবা পৰিকল্পনা হাতত লৈছে নেকি?

(খ) যদি লৈছে, কেতিয়ালৈ আৰম্ভ কৰা হ'ব? (বিতং ভাবে জনাব)।

*বিষয় ঃ* **আঁচনি ৰূপায়ণ সন্দৰ্ভত।**

শ্ৰী ওয়াজেদ আলি চৌধুৰী ঃ

* ৬৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্য্যকাল শেষ হোৱাৰ পিছত Fifteenth Finance ত আঁচনি বিলাক কেনেকৈ ৰূপায়ণ কৰা হৈছে?

(খ) উক্ত আঁচনি বিলাকৰ ৰূপায়ণৰ ক্ষেত্ৰত Construction Committee গঠন কৰিবলৈ কাক দায়িত্ব দিয়া হৈছে আৰু এই ক্ষেত্ৰত বিধায়ক সকলৰ কিবা দায়িত্ব আছে নেকি?

(গ) ধুবুৰী জিলাৰ বীৰসিং জৰুৱা উন্নয়ন খণ্ডৰ অধীনত বিভিন্ন পঞ্চায়তত উক্ত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বহুত বেমেজালি দেখা গৈছে, এই ক্ষেত্ৰত বিভাগে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

*বিষয়ঃ* **অঙ্গনৱাড়ী কৰ্মী / সহায়িকাৰ চাকৰি আৰু খাদ্য সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

* ৬৬। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত ২০২১ চনৰ পৰা আজিলৈকে খালী হৈ থকা কিমানটা অংগনৱাড়ী কৰ্মীৰ পদত আৰু কিমানটা সহায়িকাৰ পদত নিযুক্তি দিয়া হৈছে? তথ্য সহকাৰে জনাব।

(খ) জলেশ্বৰ সমষ্টিত জলেশ্বৰ ICDS project টোত ২০২১ চনৰ পৰা আজিলৈকে ছাত্ৰ-ছাত্ৰীৰ পুষ্টিকৰ খাদ্যৰ বাবদ কিমান টকা আৱণ্টন দিয়া হৈছে? তথ্য সহকাৰে জনাব।

*বিষয়ঃ* **জলজীৱন মিছন।**

ড° ৰফিকুল ইছলাম ঃ

* ৬৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ বৰপেটা জিলাত সমষ্টি অনুযায়ী জলজীৱন মিছনৰ অধীনত কিমানটা আঁচনি মঞ্জুৰী দিয়া হৈছিল? আঁচনিৰ নামৰ বিপৰীতে ঠিকাদাৰৰ নাম, ফিজিকেল আৰু ফাইনেঞ্চিয়েল অগ্ৰগতি আৰু বৰ্তমানে বিশুদ্ধ খোৱা পানী লাভ কৰি থকা পৰিয়ালৰ পৰিসংখ্যা জনাব।

(খ) কলগাছিয়া বজাৰ এলেকাত কেইটা জলজীৱন আঁচনি এতিয়ালৈ সম্পূৰ্ণ হৈ উঠিছে, ইয়াৰ জৰিয়তে কলগাছিয়া গাঁৱৰ কিমান পৰিয়ালে বিশুদ্ধ খোৱাপানী লাভ কৰিছে? যিহেতু সকলো পৰিয়ালে পানী লাভ কৰা নাই, ভৱিষ্যতে সকলো পৰিয়ালে লাভ কৰাৰ থল আছে নে?

(গ) স্বচ্ছ ভাৰত অভিযান আঁচনি সম্পূৰ্ণ হোৱাৰ পিছতো বৰপেটা জিলাত কোন কোন বেচৰকাৰী সংস্থাই এতিয়ালৈ ধন লাভ কৰা নাই? সকলোৰে নাম, বকেয়াৰ পৰিমাণ আদিৰ বিতং তথ্য জনাব। এই কামসমূহৰ বিলৰ প্ৰক্ৰিয়া কিমান দূৰ আগবাঢ়িছে, বিতং তথ্য জনাব।

*বিষয়ঃ* **কাৰ্য্যালয় গৃহ সম্পৰ্কে।**

শ্ৰী দিগন্ত কলিতা ঃ

* ৬৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আত্ম নিৰ্ভৰ অসম আৰু সামগ্ৰিক আৰ্থিক সৱলীকৰণৰ বাবে ASSAM STATE LIVELIHOOD MISSIONৰ অধীনত কাম কৰি অহা CLF সকলৰ (CLUSTER LEVEL FEDERATION) কাৰ্য্যালয় গৃহ Govt. Premises ত নিৰ্মাণ কৰাৰ পদক্ষেপ লোৱা হ'ব নেকি? (যিহেতু CLF সকলৰ স্থায়ী কাৰ্য্যালয় গৃহৰ অভাৱ আছে) বিতং ভাৱে জনাব।

(খ) ASSAM STATE LIVELI-HOOD MISSION ৰ অধীনত জীৱিকা সখী, কৃষি সখী, পশু সখীসকলে নিজৰ

কৰ্মক্ষেত্ৰৰ বাবে অসম চৰকাৰে আগবঢ়োৱা বাহন Scooty লাভ কৰে। কিন্তু উদ্যোগ সখী, বিত্ত সখী (CRP-EP) সকলে যিহেতু বৰ্তমানো এই আঁচনিৰ অন্তৰ্ভুক্ত হোৱা নাই, তেওঁলোকৰ বাবে চৰকাৰে Scooty দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিকল্পনা আছে নেকি?

(গ) যদি আছে, কেতিয়ালৈ গ্ৰহণ কৰিব? (বিতং ভাৱে জনাব)।

*বিষয়ঃ* **প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ বাবদ অনাদায় মজুৰি আদি।**

শ্ৰীআব্দুল বাতিন খন্দকাৰঃ

* ৬৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ পিছত কোনো হিতাধিকাৰীৰ মজুৰি অনাদায় হৈ আছে নেকি? যদি অনাদায় হৈ আছে, অসমত সৰ্বমুঠ কিমান গৰাকী হিতাধিকাৰীয়ে মজুৰি লাভ কৰা নাই, জনাব।

(খ) বঙ্গাইগাঁও জিলাত কোন উন্নয়ন খণ্ডৰ অধীনত কিমান গৰাকী হিতাধিকাৰীৰ মজুৰি অনাদায় হৈ আছে, জনাব।

(গ) অনাদায় হৈ থকা মজুৰি আদায় দিয়াৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঘ) গ্ৰামোন্নয়ণ বিভাগত কিমানটা মঞ্জুৰীকৃত পঞ্চায়ত সচিবৰ পদ আছে? এই পদসমূহৰ কিমানটা পদ খালী হৈ আছে? Accr. Engineer, GRS আৰু GPC আদি চুক্তিবদ্ধ কৰ্মচাৰীৰ কিমান পদ খালী হৈ আছে? জিলা ভিত্তিক তথ্য দিব।

*বিষয়ঃ* **পৰ্য্যটন ক্ষেত্ৰ সন্দৰ্ভত।**

শ্ৰীদেৱব্ৰত শইকীয়াঃ

* ৭০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৰহাটৰ গান্ধী আশ্ৰমক ঐতিহাসিক আৰু পৰ্য্যটন ক্ষেত্ৰ ৰূপে গঢ় দিয়াৰ চৰকাৰে কিবা ব্যৱস্থা ল'বনে?

(খ) মুক্তিযোদ্ধা কৃষ্ণ শৰ্মাৰ যোৰহাটৰ জন্মভূমিক ঐতিহ্য ক্ষেত্ৰ ৰূপে গঢ় দিয়াৰ বাবে চৰকাৰে কিবা পদক্ষেপ ল'বনে?

(গ) দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ স্মৃতি ৰক্ষাৰ্থে চৰকাৰে কিবা পদক্ষেপ ল'বনে? তেজপুৰ চিকিৎসা মহাবিদ্যালয় দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ নামত উছৰ্গা কৰিব নেকি?

(ঘ) জ্যোতি প্ৰসাদ আগৰৱালাৰ 'জোনাকী' উন্নয়নৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে জনাব।

(ঙ) নাজিৰা নগৰত পৰ্য্যটন অতিথিশালা এটা নিৰ্মাণ আৰম্ভ কৰাৰ পাছত বন্ধ হৈ গৈছিল। উক্ত স্থানত পৰ্য্যটন বিভাগৰ এটা অতিথিশালা নিৰ্মাণ কৰিবনে?


(চ) নাজিৰা সমষ্টিৰ বিভিন্ন পৰ্য্যটন ক্ষেত্ৰৰ লগতে ঐতিহাসিক বৰশিল, খৰিকটীয়া আলি, পিয়লি দৌল আদিৰ উন্নয়নৰ ব্যৱস্থা কৰিবনে?

*বিষয়ঃ* **জলজীৱন আঁচনি সম্পৰ্কে।**

শ্ৰীৰূপক শৰ্মাঃ

* ৭১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাঁও জিলাত জলজীৱন আঁচনিৰ


Ctrl

অধীনত এতিয়ালৈকে কিমান প্ৰকল্প অন্তৰ্ভুক্ত কৰা হৈছে? (সমষ্টি ভিত্তিত তথ্য দিব)।

(খ) এই প্ৰকল্পসমূহ কিমান সম্পূৰ্ণ হ'ল আৰু কিমান সম্পূৰ্ণ হ'বলৈ বাকী আছে? অসম্পূৰ্ণ সমূহ কেতিয়া সম্পূৰ্ণ হ'ব?

(গ) এই আঁচনিৰ অধীনত কিমান ঘৰ মানুহে পানী পাইছে আৰু কিমানে পানী পাবলৈ বাকী আছে?

(ঘ) পানী নোপোৱা ঠাইত নতুন আঁচনি চৰকাৰে আৰম্ভ কৰিছে নেকি? যদি কৰিছে, কেতিয়াৰ পৰা আৰম্ভ হ'ব?

*Subject :* **Booth Panchayat & Rural Development.**

Smti. Suman Haripriya :

* 72. Will the Minister of Panchayat & Rural Development Department be pleased to state :

(a) For overall development of rural Assam whether the department has come up with new schemes in terms of sustainable development along with the economic self sufficiency ?

(b) Please furnish detailed data of unused interest fund of Kamrup District under the departmental Schemes ? Also, if any schemes are taken against interest fund in last 3 years in Kamrup District, give in detail.

(c) Please furnish the Status report of PM Rurban Mission Scheme that implemented in Hajo ?

*বিষয় ঃ* **গাঁও পঞ্চায়তত চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধন সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

* ৭৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰৰ চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধন গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ মুখ খাতা (Mother Account) ৰ যি সুতৰ ধন আয় হয় সেই ধন খৰচ কৰাৰ কিবা নিয়ম আছে নেকি? বিতংকৈ জনাব।

(খ) পাকা বেতবাৰী উন্নয়ন খণ্ডৰ পশ্চিম পাকা গাঁও পঞ্চায়তত চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধন যোৱা ২০১৫-১৬ চনৰ পৰা ২০২৪-২৫ চনলৈকে কিমান টকা অনুমোদন পাইছিল আৰু কিমান টকাৰ সুত জমা হৈছিল জনাব?

(গ) পশ্চিম পাকা গাঁও পঞ্চায়তৰ চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধন নিয়ম বহিৰ্ভূতভাৱে খৰচ কৰা অভিযোগ উত্থাপিত হোৱাৰ পিছত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াই যোৱা ২১-০২-২০২৪ ইং তাৰিখে চিঠি নং BZP (14th FC) 392/ 2015/part-V/2582 Date 21/02/2024 মৰ্মে অতিৰিক্ত মুখ্য কাৰ্য্যবাহী বিষয়াক লৈ গঠন হোৱা তদন্তকাৰী দল (Enquiry Team) য়ে কি প্ৰতিবেদন (Report) জমা কৰিছিল? সদনত তথ্য দাখিল কৰিব।

(ঘ) উক্ত প্ৰতিবেদন (Report) মতে সকলো সঠিক আৰু শুদ্ধ আছিল নে? যদি

আছে, বিতং তথ্য দাখিল কৰিব আৰু যদি পোৱা নাই তাৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে, বিতং তথ্য দাখিল কৰিব।

(ঙ) পশ্চিম পাকা গাঁও পঞ্চায়তত চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ নিয়ম বহিৰ্ভূতভাৱে (অভিযোগ মৰ্মে) খৰচ কৰা টকাৰ পৰিমাণ উল্লেখ কৰিব? এই বিষয়ত বৰপেটা জিলা পৰিষদৰ কৰ্তৃপক্ষই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগলৈ Report দাখিল কৰিছিল নে? যদি কৰিছিল, বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিলে তাৰ বিতংকৈ তথ্য দাখিল কৰিব।

*বিষয় ঃ* **ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্য।**

শ্ৰীমজিবুৰ ৰহমান ঃ

* ৭৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্য উদ্যানখনক দেশৰ পৰ্য্যটন স্থলীলৈ ৰূপান্তৰ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি? যদি কৰে, কেতিয়ালৈ কৰিব? (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ মাটি ধনশ্ৰী নদীয়ে প্ৰতি বছৰে খহাই নিয়াত ইয়াৰ চাৰিসীমা দিনে দিনে চাপি আহিব ধৰিছে। এই ক্ষেত্ৰত উক্ত উদ্যানক ৰক্ষণাবেক্ষণ দিবৰ বাবে ধনশ্ৰী নদীত বেৰ দিয়াৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? যদি কৰিছে, সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **ৰাজ্য চৰকাৰৰ বিভাগ সমূহৰ ৰাজহ আৰু ঋণ।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

* ৭৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসম চৰকাৰৰ বিভাগসমূহৰ ৰাজহ (কৰ, অনা-কৰ পৃথকে) সংগ্ৰহৰ বৰ্ষভিত্তিক তথ্য দাখিল কৰিব। ২০১৬ চনৰ পৰা অসমৰ জনমুৰি আয়ৰ তথ্য দাখিল কৰিব।

(খ) বৰ্তমান অসমত চলি থকা হিতাধিকাৰী আঁচনিৰ সবিশেষ জনাব। ২০১৬ চনৰ পৰা এনে আঁচনিৰ বিপৰীতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ব্যয়ৰ তথ্য পৃথকে পৃথকে দাখিল কৰিব।

(গ) ২০১৬ চনৰ পৰা এতিয়ালৈ অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা লোৱা ঋণৰ তথ্য, এতিয়ালৈ লোৱা ঋণৰ কিমান টকা পৰিশোধ কৰা হ'ল, ঋণৰ বিপৰীতে কিমান সুদ পৰিশোধ কৰা হ'ল বিতংকৈ জনাব।

(ঘ) বিদেশী ৰাষ্ট্ৰৰ সাহায্য অথবা ঋণেৰে অসমত কি আঁচনি ৰূপায়ণ কৰা হৈছে, কি কি আঁচনি ৰূপায়ণৰ পৰিকল্পনা লোৱা হৈছে বিতংকৈ জনাব। ২০১৬ চনৰ পৰা এতিয়ালৈ অসমত FDIৰ তথ্য দাখিল কৰিব।

(ঙ) নিয়ম অনুসৰি অসম চৰকাৰে GDPৰ কিমান শতাংশ ঋণ ল'ব পাৰে? এতিয়ালৈকে কিমান শতাংশ লৈছে জনাব।

(চ) ২০১৬-১৭ চনৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈ ৰাজহ আৰু মূলধনী শিতানত বাজেটত ধাৰ্য্যধনৰ বিপৰীতে হোৱা ব্যয়ৰ প্ৰকৃত তথ্য দাখিল কৰিব।

*বিষয়ঃ* **অসম ৰাজ্যিক অভিলেখাগাৰৰ সম্পৰ্কে।**

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ

* ৭৬। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্বাধীনোত্তৰ কালৰ তথা আমাৰ ৰাজ্যখনৰ বৰ্তমানলৈ বিভিন্ন চৰকাৰী বিভাগৰ গুৰুত্বপূৰ্ণ ফাইলসমূহ সংৰক্ষণ কৰি ৰখা অসম ৰাজ্যিক অভিলেখাগাৰৰ (Assam State Archives) উত্তৰণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) অসম ৰাজ্যিক অভিলেখাগাৰত বৰ্তমান কিমান চৰকাৰী ফাইল / ৰিপোৰ্ট সংৰক্ষণ কৰা হৈছে? (কেতিয়াৰ পৰা কেতিয়ালৈ জনাব)।

(গ) অভিলেখাগাৰত সংৰক্ষণ কৰি ৰখা ফাইলসমূহ ডিজিটেলাইজেচন কৰাৰ ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(ঘ) অসম ৰাজ্যিক অভিলেখাগাৰত গৱেষণাৰ বাবে এতিয়ালৈ কোন কোন দেশৰ পৰা গৱেষক আহিছে?

(ঙ) বৰ্তমান অসম ৰাজ্যিক অভিলেখাগাৰৰ অধীনত কিমানখন জিলাত জিলা পৰ্য্যায়ৰ কাৰ্য্যালয় আছে?

(চ) "মিছন সম্ভাৱনা"ৰ অধীনত ইতিমধ্যে বন্ধ কৰা ফাইলসমূহ অভিলেখাগাৰলৈ পঠোৱাৰ বাবে ব্যৱস্থা লোৱা হৈছেনে?

(ছ) অসমৰ বিভিন্ন জিলাৰ (DC) অফিচত থকা পুৰণি ফাইলসমূহ অভিলেখাগাৰলৈ পঠোৱাৰ বাবে ব্যৱস্থা লোৱা হৈছেনে?

(জ) বিভিন্ন চৰকাৰী বিভাগত থকা পুৰণি ফাইলসমূহ গৱেষক ছাত্ৰ-ছাত্ৰীসকলে চাব পৰাৰ ব্যৱস্থা আছে নে?

(ঝ) অত্যাধুনিক অভিলেখাগাৰ ভৱন (Modern Archive Building) বনোৱাৰ পৰিকল্পনা চৰকাৰৰ আছে নেকি, অনুগ্ৰহ কৰি জনাব।

*বিষয়ঃ* **মডেল অঙ্গনৱাদী কেন্দ্ৰ।**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

* ৭৭। মাননীয় মহিলা ও শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলাত আৰু কোন কোন সমষ্টিত এতিয়ালৈকে কিমান মডেল অঙ্গনৱাদী কেন্দ্ৰ অনুমোদন কৰা হৈছে?

(খ) মডেল অঙ্গনৱাদী কেন্দ্ৰ আবণ্টনৰ ক্ষেত্ৰত সমষ্টি ভিত্তিত সমবিতৰণৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

(গ) সংহত শিশু উন্নয়ন প্ৰকল্প সমূহ পুনঃগঠন কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

*বিষয়ঃ* **পুঁজি সম্পৰ্কে।**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

* ৭৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা ২০২৪ চনলৈকে অসমৰ বিভিন্ন জিলা সমূহে 15th Financeৰ বৰ্তমানলৈকে সৰ্বমুঠ কিমান টকা পাইছে? ইয়াৰ কিমান টকা খৰছ হৈছে আৰু কিমান টকা খৰছ হ'বলৈ বাকী আছে? বাকী থকাৰ কাৰণ কি আৰু কেতিয়ালৈ এই টকাখিনি খৰছ কৰা হ'ব? জিলা ভিত্তিত চন সহ তথ্য সহকাৰে জনাব।

(খ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত সমূহৰ বিভিন্ন শিতানৰ পৰা সংগ্ৰহ হোৱা কৰৰ কোনে কিমান শতাংশ পায় আৰু তাৰে কিমান শতাংশ জিলা পৰিষদে আদায় দিলে আৰু কিমান বাকী ৰাখিলে, বাকী ৰখাখিনি কেতিয়া আদায় দিব? তথ্য সহকাৰে জনাব।

(গ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ হাট-ঘাটসমূহ কেনেকৈ কোনে চলাই আছে, কি নিয়মৰ ভিত্তিত আবণ্টন দিয়া হৈ আছে? গোৱালপাৰা জিলাৰ কোন কোন হাট-ঘাট কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক দিয়া হৈছে? তালিকাসহ তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **জলজীৱন আঁচনি।**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ৭৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জলজীৱন মিছনৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব? বৰ্তমান অসমৰ কিমান পৰিয়ালে জলজীৱন মিছনৰ জৰিয়তে নিয়মীয়াকৈ বিশুদ্ধ খোৱা পানী লাভ কৰিছে?

(খ) বৰ্তমান কিমান পৰিয়ালৰ ঘৰত জলজীৱন আঁচনিৰ পাইপ সংযোগ হ'বলৈ বাকী আছে? কোন সমষ্টিত কিমান পৰিয়ালে জলজীৱন আঁচনিৰ অধীনত পানী লাভ কৰিবলৈ সক্ষম হোৱা নাই তথ্য প্ৰদান কৰিব।

(গ) জলজীৱন আঁচনিৰ অধীনত ৰাজ্যৰ বিদ্যালয় আৰু অংগনৱাড়ী সমূহত পানী যোগান ধৰা হৈছেনে? কিমান বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰত এতিয়াও পানী যোগান সম্ভৱ হৈ উঠা নাই? এনে বিদ্যালয় আৰু অংগনৱাড়ীৰ সংখ্যা লাহৰিঘাট সমষ্টিত কিমান? এই সমূহ কেতিয়ালৈ সম্ভৱ হৈ উঠিব?

*বিষয় ঃ* **গুৱাহাটী পৌৰ নিগমৰ সন্দৰ্ভত**

শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ

* ৮০। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰৰ বাবে কিমানটা পানী যোগান আঁচনি বৰ্তমানে নিৰ্মীয়মান হৈ আছে?

(খ) এই আঁচনি সমূহ কোন চনত আৰম্ভ কৰা হৈছিল আৰু বৰ্তমান কিমান অগ্ৰগতি লাভ কৰিছে?

(গ) গুৱাহাটীৰ পূৰ্বাঞ্চলৰ বাবে পৰিকল্পনা কৰা আঁচনিখন কেতিয়ালৈ পুনৰ আৰম্ভ কৰা হ'ব?

---

A.G.P. (Mini) LAQ - 15 /2025-550-27-02-2025


Ctrl